सत्यमेव जयते

# PARTICIPANT HANDBOOK



Hospitality & Tourism

Language: Assamese

# HOSPITALITY ASSISTANT

N·S·D·C National Skill Development Corporation

Orion Edutech ISO 9001:2015 CERTIFIED Funded Partner of NSDC

# HOSPITALITY ASSISTANT

## আতিথ্য সহায়ক

Orion Edutech™

ISO 9001:2015 CERTIFIED

Funded Partner of NSDC

Orion House, 28, Chinar Park, Rajarhat Road
Kolkata – 700157, Ph.: +91 33 40051635

**www.orionedutech.com**

# স্বাগতম টোকা

আদৰৰ অংশগ্ৰহণকাৰী,

“আতিথ্য সহায়ক” প্ৰশিক্ষণ কাৰ্যসূচীলৈ স্বাগতম। এই কাৰ্যসূচী সম্পূৰ্ণ কৰাৰ পিছত, আশা কৰা হয় যে আপুনি এজন আতিথ্য সহায়ক, হোটেল কাৰ্যবাহী, এজন মেনেজাৰ আৰু এজন হোটেল ইন চাৰ্জ হিচাপে আতিথ্য উদ্যোগত যোগদান কৰিব। এজন আতিথ্যৰ কৰ্মচাৰী হিচাপে, আপুনি হোটেলৰ বিভিন্ন বস্তুৰ কামৰ বিৱৰণবোৰ জানিব, ত্ৰুটিবোৰ চিনাক্ত কৰি আৰু সৰু-সুৰা তত্বাৱধান কৰিবলৈ সক্ষম হ'ব।

প্ৰতিটো অধ্যায় পঢ়ক, আপোনাৰ মুখ্য শিকা কথাবোৰ নথিভুক্ত কৰক আৰু শেষত থকা প্ৰশ্নবোৰৰ উত্তৰ দিয়াৰ চেষ্টা কৰক।

# প্ৰশিক্ষাৰ্থীৰ বাবে সাধাৰণ নিৰ্দেশনা

1. যেতিয়া আপুনি শ্ৰেণীকোঠাত প্ৰৱেশ কৰে আপোনাৰ প্ৰশিক্ষক আৰু আন অংশগ্ৰহণকাৰীসকলক সম্ভাষণ জনাব।
2. প্ৰতিটো শ্ৰেণীৰ বাবে সদায়ে সময়ত উপস্থিত হ'ব।
3. নিয়মীয়া হ'ব। প্ৰয়োজনীয় উপস্থিতি নথকা প্ৰাৰ্থী সকলক প্ৰমাণপত্ৰ প্ৰদান কৰা নহ'ব।
4. যদি কোনো কাৰণত আপুনি শ্ৰেণীত উপস্থিত থাকিব নোৱাৰে, আপোনাৰ প্ৰশিক্ষকক জনাব।
5. আপোনাৰ প্ৰশিক্ষকে যি কয় বা দেখুৱায় তাৰ প্ৰতি মনোযোগ দিব।
6. যদি আপুনি কিবা বুজি নাপায়, আপোনাৰ হাত দাঙিব আৰু প্ৰশ্ন সুধিব।
7. এই কিতাপখনৰ প্ৰতিটো অধ্যায়ৰ শেষত থকা অনুশীলনীবোৰ আপুনি কৰা নিশ্চিত কৰিব। ই আপোনাক ধাৰণাবোৰ ভালদৰে বুজাত সহায় কৰিব।
8. আপুনি শিকা যিকোনো নতুন কুশলতা যিমান বাৰ সম্ভৱ অনুশীলনী কৰিব। অনুশীলনীৰ বাবে আপোনৰ প্ৰশিক্ষক বা সহ-অংশগ্ৰহণকাৰীৰ সহায় বিচাৰিব।
9. বিদ্যুৎ আৰু সঁজুলি ব্যৱহাৰ কৰোঁতে আপোনাৰ প্ৰশিক্ষকৰ নিৰ্দেশনা অনুসৰি সকলো প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰিব।
10. আপুনি সকলো সময়তে পৰিপাটিকৈ পোছাক পিন্ধা আৰু উপস্থাপনযোগ্য হোৱা নিশ্চিত কৰিব।
11. প্ৰশিক্ষণৰ সময়ত সকলো অনুশীলনী, আলোচনা আৰু খেলত অংশগ্ৰহণ কৰিব।
12. আপুনি শ্ৰেণীলৈ অহাৰ আগতে প্ৰতিদিনে স্নান কৰিব, পৰিষ্কাৰ পোছাক পিন্ধিব আৰু আপোনাৰ চুলি ফণিয়াব।

    আপুনি সদায়ে মনত ৰাখিব লগা আৰু আপোনাৰ দৈনিক বাৰ্তালাপত ব্যৱহাৰ কৰিবলগা তিনিটা আটাইতকৈ গুৰুত্বপূৰ্ণ শব্দ হৈছে প্লীজ, থেংক য়ু আৰু চ'ৰী (অনুগ্ৰহ কৰি, ধন্যবাদ আৰু দুঃখীত)।

# পৰিচয়

ভাৰতীয় পৰ্যটন আৰু আতিথ্য উদ্যোগত অভূতপূৰ্ব বিকাশ হোৱা দেখা গৈছে। বাণিজ্য, মেৰামতি সেৱা, হোটেল আৰু ৰেষ্টুৰেণ্ট সন্নিবিষ্ট খণ্ডটোৱে 2015-16 চনত প্ৰায় 295.7 বিলিয়ন আমেৰিকান ডলাৰ বা মুঠ ঘৰুৱা উৎপাদনৰ (জিডিপি) প্ৰায় 19.2 শতাংশ অৱদান দিছিল, আৰু বছৰি 8.9 শতাংশ হাৰত বৃদ্ধি হৈ আহিছে।

সমৃদ্ধ সাংস্কৃতিক আৰু ঐতিহাসিক ঐতিহ্য, পাৰিপাৰ্শ্বিকতাৰ বিবিধাতা, সমগ্ৰ দেশত বিয়পি থকা ভৌগোলিক স্থান আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ স্থানৰ বাবে ভাৰতীয় পৰ্যটন উদ্যোগৰ যথেষ্ট সম্ভাৱনীয়তা আছে। পৰ্যটন উদ্যোগে দেশখনলৈ যথেষ্ট পৰিমাণৰ বিদেশী মুদ্ৰা অনাৰ উপৰিও যথেষ্ট কৰ্মসংস্থান প্ৰদান কৰে।

উদ্যোগটোৱে বিভিন্ন উপ-খণ্ডত 13.45 নিযুত কৰ্মসংস্থান সৃষ্টি কৰাৰ সম্ভাৱনা আছে যাৰ ভিতৰত আছে:

- ৰেষ্টুৰেণ্ট (10.49 নিযুত সংস্থাপন)
- হোটেল (2.3 নিযুত সংস্থাপন)
- ট্ৰেভেল এজেণ্ট / টুৰ অপাৰেটৰ (0.66 নিযুত সংস্থাপন)

পৰ্যটন মন্ত্ৰালয়ে প্ৰশিক্ষাৰ্থী সকলক আতিথ্যৰ শিক্ষা প্ৰদান কৰি আৰু লগতে বৰ্তমানৰ সেৱা প্ৰদানকৰ্তা সকলৰ দক্ষতা প্ৰমাণিত আৰু উন্নত কৰি দক্ষ আৰু প্ৰশিক্ষিত মানৱ সম্পদৰ বৰ্ধিত চাহিদা পূৰণ কৰি উদ্যোগটোক সহায় কৰাৰ পৰিকল্পনা কৰিছে।

পৰ্যটন আৰু আতিথ্য উদ্যোগটো সৰ্বাধিক বিদেশী প্ৰত্যক্ষ বিনিয়োগ আকৰ্ষিত কৰা শীৰ্ষৰ 10 টা খণ্ডৰ ভিতৰত এটা। ভাৰত ভ্ৰমণ কৰা বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ সৈতে, বহু কোম্পানীয়ে পৰ্যটন আৰু আতিথ্য খণ্ডত বিনিয়োগ কৰিছে। এই খণ্ডত হোৱা কিছুমান শেহতীয়া বিনিয়োগ নিম্নলিখিত ধৰণৰ:

- আমেৰিকা যুক্তৰাজ্য আধাৰিত হোটেল শৃংখলা মেৰিয়ট ইণ্টাৰনেচনেল ইনকৰ্পোৰেচনে উত্তৰ প্ৰদেশ, কানপুৰ, বাৰানসী আৰু আগ্ৰাৰ দৰে উত্তৰ ভাৰতৰ স্থানবোৰলৈ ইয়াৰ কাৰ্যকলাপ সম্প্ৰসাৰণ কৰিবলৈ পৰিকল্পনা কৰিছে।
- বাজেট হোটেল আৰু হোমষ্টে এগ্ৰীগেটৰ ষ্টেঝিলাই মেট্ৰিক্স পাৰ্টনাৰ্চ আৰু নেক্সাচ ভেঞ্চাৰচৰ পৰা চিৰিজ চি ৰাউণ্ড ফাণ্ডিঙত 13 নিযুত আমেৰিকান ডলাৰৰ অধিক পুঁজি প্ৰাপ্ত কৰিছে।
- বিশ্বব্যাপী বিবিধ খণ্ডৰ আতিথ্য উদ্যোগৰ মুখ্য কোম্পানী মেৰিয়ট ইণ্টাৰনেচনেল ইনকৰ্পোৰেচনে, ভাৰতত ইয়াৰ প্ৰথম দ্বৈত ব্ৰেণ্ডৰ হোটেল আৰম্ভ কৰিছে, যি হৈছে কৰ্ণাটকৰ বেঙ্গালাৰুত 300 কোটি টকা বিনিয়োগেৰে স্থাপিত ক'ৰ্টয়াৰ্ড এণ্ড ফেয়াৰফিল্ড।
- ইণ্ডিয়ান ৰেলৱে কেটাৰিং এণ্ড টুৰিজম কৰ্পোৰেচনে ভাৰতৰ হোটেলৰ সৰ্ববৃহৎ ব্ৰেণ্ডেড নেটৱৰ্ক ওয়ো ৰুমচৰ সৈতে অংশীদাৰীতা স্থাপন কৰিছে, ইয়াৰ সুবিধাজনক বুকিং প্ৰণালীৰ জৰিয়তে ৰেল যাত্ৰীসকলক মানকীকৃত থকাৰ বিকল্প প্ৰদান কৰাৰ বাবে।
- ফেয়াৰফেক্স মালিকানাধীন থমাচ কুকে ইয়াৰ অন্তৰ্মুখী পৰ্যটন ব্যৱসায় বৃদ্ধি কৰাৰ বাবে ভাৰত আৰু হংকঙত চুইছ পৰ্যটন অপাৰেটৰ কুওনি গ্ৰুপৰ ব্যৱসায় প্ৰায় 535 কোটি টকাত (US$ 79.31 নিযুত) ক্ৰয় কৰিছে।
- আইটিচি-য়ে ইয়াৰ হোটেলৰ সংখ্যা 150লৈ বৃদ্ধি কৰাৰ বাবে পৰৱৰ্তী তিনি-চাৰি বছৰত প্ৰায় 9,000 কোটি টকা (US$ 1.33 বিলিয়ন) বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে। আইটিচি=য়ে 2018 চনলৈ আৰু পাঁচখন হোটেল আৰম্ভ কৰিব, মহাবলিপুৰম, কলকাটা, আহমেদাবাদ, হায়দাৰবাদ আৰু কলোম্বোত।
- নিউয়ৰ্ক আধাৰিত বহুজাতিক বিনিয়োগ বেঙ্কিং পুঁজি গোল্ডমেন চাক্সে ভাটিকা হোটেলচত 255 কোটি টকা (US$ 37. 8 নিযুত) বিনিয়োগ কৰিছে।
- মেকমাইট্ৰিপে যাত্ৰা পৰিকল্পনা ৰেবছাইট মাইগোলা আৰু ইয়াৰ সম্পদবোৰ এক অপ্ৰকট পৰিমাণত ক্ৰয় কৰিব, আৰু একেলগে অনলাইন যাত্ৰা শাখাত অভিনৱত্ব অনাৰ চেষ্টা কৰিব।

মূল্যাঙ্কন সংস্থা ICRA লিমিটেডে 2015-16 বৰ্ষত ভাৰতীয় হোটেল উদ্যোগৰ ৰাজহ বৃদ্ধি 9-11 শতাংশ হাৰত হ'ব বুলি আকলন কৰিছে। পৰৱৰ্তী পাঁচ বছৰত স্বাস্থ্য পৰ্যটন খণ্ডত ভাৰত সৰ্বাধিক বৃদ্ধি হোৱা ৰাষ্ট্ৰ হোৱাৰ সম্ভাৱনা আছে, 2017 চনত 20 শতাংশৰো অধিক বাৰ্ষিক বৃদ্ধিৰ সৈতে।

# TABLE OF CONTENTS (আতিথ্য সহায়ক)


**অধ্যায় - 1** ______

**হসপিটালিটি শিল্পের পরিচিতি**

**1.1** আতিথ্য উদ্যোগ

**1.2** আতিথ্য উদ্যোগৰ শাখাবোৰ

**অধ্যায় - 2** ______

**খাদ্য আৰু পানীয় সেৱা**

2.1 মেনু

2.2 মেনু এখনৰ উদ্দেশ্য

2.3 মেনু: উপস্থাপন প্ৰকাৰ

2.4 ফৰাচী ক্লাছিক্লেল মেনু

2.5 কভাৰ লেআউটৰ প্ৰকাৰবোৰ

2.6 পৰিৱেশনৰ সঁজুলি

2.7 গুৰুত্বপূৰ্ণ পানীয় আৰু সেইবোৰৰ বিশেষত্ব

**অধ্যায় - 3** ______

**কণ্ডিমেণ্ট আৰু আনুষঙ্গিক**

3.1 কণ্ডিমেণ্ট আৰু আনুষঙ্গিকৰ: সংজ্ঞা

**অধ্যায় - 4** ______

**কেটাৰিং কাৰ্য**

4.1 ৰেস্তুৰেট

4.2 ৰেস্তুৰেট: গুৰুত্ব

4.3 ৰেস্তুৰেট: কাৰ্যকলাপ

4.4 ৰেস্তুৰেট: প্ৰকাৰবোৰ

4.5 ৰেস্তুৰেটৰ বিভাগবোৰ

4.6 ৰেস্তুৰেট কৰ্মীবৃন্দৰ পদানুক্ৰম

**অধ্যায় - 5** ______

**খাদ্য সেৱা কাৰ্য**

5.1 খাদ্য সেৱা কাৰ্য

5.2 অৰ্ডাৰ লোৱা

5.3 খোৱাৰ এলেকাটোৰ তত্বাৱধান কৰা

5.4 পৰিৱেশনৰ সঁজুলি

5.5 বাফে আৰু চিলভাৰ সেৱা

**অধ্যায় - 6** ______


**কামৰ এলেকা আৰু ব্যক্তিগত পৰিচ্ছন্নতা**

6.1 ডাইনিং এলেকা আৰু ইয়াৰ সঁজুলিৰ তত্বাৱধান আৰু সজোৱা

6.2 সামগ্ৰী ধোৱা চক্ৰ

6.3 সুৰক্ষা আৰু মানদণ্ড বাহাল ৰখাৰ বাবে খাদ্য সঞ্চয় কৰা

6.4 খাদ্য আৰু পানীয় প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ বাবে ব্যক্তিগত পৰিচ্ছন্নতা

**অধ্যায় - 7** ______________________________

**গ্ৰাহকৰ পৰিশোধ**

7.1 নগদ ধনৰ সুৰক্ষা প্ৰক্ৰিয়া

7.2 পেমেণ্ট পইণ্ট

7.3 POS যন্ত্ৰ এটা চলোৱা

7.4 নগদ ধন সংগ্ৰহ আৰু ৰেকৰ্ড

**অধ্যায় - 8** ______________________________

**গ্ৰাহক সেৱা**

8.1 গ্ৰাহক সেৱা

8.2 খাদ্য আৰু পানীয় সেৱাৰ কাৰ্যপ্ৰবাহ গাঁথনি

8.3 গ্ৰাহক সেৱাৰ সমস্যাবোৰ সমাধান কৰা

**অধ্যায় - 9** ______________________________

**ফৰাচী ৰেষ্টুৰেণ্ট**

9.1 বুনিয়াদী ফৰাচীত বাৰ্তালাপ কৰা

9.2 খাদ্য আৰু পানীয় প্ৰতিষ্ঠানত অতিথিৰ সৈতে বাৰ্তালাপ কৰা

9.3 ফৰাচী ক্লাছিক্লেল মেনু প্ৰস্তুতি

**অধ্যায় - 10** ______________________________

**সহকৰ্মী আৰু গ্ৰাহকৰ সৈতে যোগাযোগ**

10.1 কৰ্মস্থানৰ যোগাযোগ

10.2 দল সঞ্চালন

10.3 দল হিচাপে সময়সীমাত কাম সম্পূৰ্ণ কৰা আৰু গুণাগুণৰ মানদণ্ড পালন কৰাৰ গুৰুত্ব

10.4 মোবাইল প্রযুক্তির সাহায্যে উৎপাদনশীলতা সম্ভাব্যতা বৃদ্ধি

10.5 উৎপাদনশীলতা বৃদ্ধি কৰা আৰু মোবাইল প্ৰযুক্তিৰ সৈতে সম্ভাৱনীয়তা

10.6 কাৰ্যকলাপৰ ৰেকৰ্ড

**অধ্যায় - 11** ______________________________

**গ্ৰাহক কেন্দ্ৰিক সেৱা মুখী**

11.1 গ্ৰাহক সন্তুষ্টি

11.2 2016-ৰ বাবে গ্ৰাহক সেৱাৰ প্ৰৱণতাবোৰ

11.3 মানক সঞ্চালন প্ৰক্ৰিয়া (SOP)

11.4 গ্ৰাহকৰ পৰা অনিয়মীয়া অনুৰোধৰ মোকাবিলা কৰা

**অধ্যায় - 12** ______________________________

**মানক শিষ্টাচাৰ আৰু অতিথিপৰায়ণ আচৰণ**

12.1 পেছাদাৰী শিষ্টাচাৰ আৰু আচৰণ

12.2 মুখৰ কথাৰ প্ৰচাৰ: ধাৰণা আৰু গুৰুত্ব

12.3 আতিথ্য আৰু পৰ্যটন বাতাবৰণ

12.4 কোম্পানীৰ বিকাশৰ ৰণনীতি আৰু ৰণনীতি

**অধ্যায় - 13**

**লিঙ্গ আৰু বয়স সংবেদনশীল সেৱা**

13.1 লিঙ্গ আৰু বয়স নিৰ্দিষ্ট গ্ৰাহকক সেৱা প্ৰদান কৰা

13.2 কৰ্মস্থানৰ স্বাস্থ্য আৰু সুৰক্ষা

13.3 হেল্পলাইন নম্বৰবোৰ

13.4 ঘৰুৱা আৰু আন্তৰ্জাতিক পৰ্যটকৰ বাবে সাম্ভাব্য সুৰক্ষাৰ ভাবুকি

**অধ্যায় - 14**

**সংগঠন এটাৰ আই.পি.আৰ্. আৰু পেটেণ্ট আইন**

14.1 আই.পি.আৰ. আৰু পেটেণ্ট আইন

14.2 কোম্পানী এটাৰ বাবে আই.পি.আৰ.-ৰ গুৰুত্ব

14.3 আই.পি.আৰ্. উলংঘন

14.4 ঔদ্যোগিক আৰু ৰাজনৈতিক গুপ্তচৰবৃত্তি

**অধ্যায় - 15**

**স্বাস্থ্য আৰু পৰিচ্ছন্নতা বাহাল ৰখা**

15.1 খাদ্য সুৰক্ষা আৰু পৰিচ্ছন্নতাৰ মানদণ্ডবোৰ

15.2 খাদ্য আৰু পানীয় প্ৰতিষ্ঠানত জীৱিকাজনীত সংকট

15.3 খাদ্য আৰু পানীয় উদ্যোগৰ বাবে চ্যাব আৰু আভ্যন্তৰীণ অডিট পৰীক্ষা

15.4 খাদ্য আৰু পানীয় উদ্যোগৰ বাবে ব্যক্তিগত সুৰক্ষা সঁজুলি

**অধ্যায় - 16**

**কৰ্মস্থানত সুৰক্ষা**

16.1 খাদ্য আৰু পানীয় ভেণ্টিলেচন

16.2 সজ্জা মানদণ্ড আৰু সঁজুলিৰ অৱস্থান

16.3 আৱৰ্জনা প্ৰৱন্ধন আৰু নিষ্কাশন পদ্ধতি

16.4 সামগ্ৰী আৰু সুবিধা তত্বাৱধান প্ৰস্তুতি

16.5 ৰাসায়নিক পদাৰ্থ সঞ্চালন



# অধ্যায় 1
# আতিথ্য উদ্যোগৰ পৰিচয়

**শিক্ষণ ফলাফল :**

- বিশ্বৰ বিভিন্ন স্থানত আতিথ্য উদ্যোগৰ বিভিন্ন বিষয় জনা ৰু
- খাদ্য আৰু পানীয় খণ্ডৰ প্ৰকাৰবোৰৰ বিষয়ে জ্ঞান প্ৰাপ্ত কৰা
- আতিথ্য খণ্ডত যাত্ৰা আৰু পৰ্যটন, কেটাৰিং আৰু স্বাস্থ্য খণ্ডটো বুজা

---

## শ্ৰেণী-পূৰ্ব কাৰ্যকলাপ :

- প্ৰশিক্ষকে প্ৰশিক্ষাৰ্থীসকলক আতিথ্য উদ্যোগৰ বিভিন্ন সেৱাবোৰৰ বিষয়ে ভিডিঅ' এটা প্ৰদৰ্শন কৰিব। ইয়াত প্ৰশিক্ষাৰ্থীসকলে আতিথ্য উদ্যোগৰ পৰিসৰটো জানিব পাৰিব।
- ভিডিঅ'টো দেখুওৱাৰ পিছত, প্ৰশিক্ষকে প্ৰশিক্ষাৰ্থীসকলক এই বিষয়ে তেওঁলোকৰ জ্ঞানৰ বিষয়ে সুধিব। প্ৰশিক্ষকে সকলোকে তেওঁলোকৰ জ্ঞান জনোৱাৰ বাবে হাত দাঙিবলৈ ক'ব। প্ৰশিক্ষকে প্ৰশিক্ষাৰ্থীসকলক তেওঁলোকৰ উত্তৰৰ বাবে শলাগ ল'ব।



আমি সকলোৱে ফুৰ্টি ভাল পাওঁ! নহয়নে? আমি বিমান যোগে সুন্দৰ স্থানলৈ ভ্ৰমণ কৰোঁ, ক্ৰুইজ জাহাজ বা বিলাসী ৰেল এখনত যাত্ৰাৰ আমোদ লওঁ, সুন্দৰ হোটেল এখনৰ আৰামত বিশ্ৰাম কৰোঁ, মনোৰঞ্জন পাৰ্কলৈ যাওঁ, নৈশ ক্লাবত নৈশ জীৱন উপভোগ কৰোঁ বা পাব, কফী দোকান বা খাদ্যৰ বিপনি এখনত বন্ধুবৰ্গৰ সৈতে সময় কটাও। প্ৰায়ে আমি স্পা বা ৰিজৰ্ট এখনত অকলে বিশ্ৰাম কৰি ভাল পাওঁ।

এই সকলোৱে আমাৰ ভাগৰুৱা শৰীৰ আৰু মনলৈ আনন্দ আৰু বিশ্ৰাম আনে। আতিথ্য উদ্যোগে আমি বিচৰা এনে বিশ্ৰামৰ মুহূৰ্ত অনাৰ বাবে চেষ্টা কৰে আৰু কঠোৰ পৰিশ্ৰম কৰে।


### 1.1 আতিথ্য উদ্যোগ

- হস্পিটালিটি (আতিথ্য) শব্দটো লেটিন শব্দ 'Hospes'-ৰ পৰা আহিছে, যাৰ মূল হৈছে 'Hestis' শব্দটো।
- আৰম্ভণিতে "Hestis"-ৰ অৰ্থ আছিল "অচিনাকি লোক", সময় বাগৰা আৰু ভাষাৰ সলনিৰ সৈতে ইয়াৰ অৰ্থ হৈ পৰে শত্ৰু বা প্ৰতিকূল অচিনাকি লোক।
- আতিথ্য উদ্যোগটো বিশাল আৰু কেৱল খাদ্য, পোছাক আৰু বাসস্থানৰ মৌলিক প্ৰয়োজনীয়তা নহয়, ই গ্ৰাহকসকলক তেওঁলোকৰ মনোৰঞ্জনৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাবে সকলো ব্যৱসায়ত প্ৰযোজ্য হয়।
- যদি আতিথ্য উদ্যোগটো এক বিশাল খণ্ড, এই বাণিজ্যৰ কিছুমান নিৰ্দিষ্ট দিশ আছে। এই দিশবোৰ হৈছে:

| Focussing on Customer Satisfaction | • This aspect holds true for almost all business but the Hospitality sector relies entirely on customers' being happy.<br>• This is because these businesses are based on providing luxury services rather than basic needs. |
|---|---|
| Reliance on disposable income and leisure time | • Majority of the business in hospitality industry are for tourist and rich patrons.<br>• If the economy is hit by a recession, the hospitality sector would be the first to be affected as the customers wont have extra money to spend on leisurely activities. |

যদিও আতিথ্য উদ্যোগ বুলিলে সাধাৰণতে আমাৰ মনলৈ হোটেল এখনৰ ছবি আহে, ই বিশাল উদ্যোগ এটাৰ মাত্ৰ এটা খণ্ড।

আতিথ্য খণ্ডৰ অধীনত অনা আন বহুতো বাণিজ্য হৈছে:




| আতিথ্য উদ্যোগৰ বাণিজ্যবোৰ | |
|---|---|
|  | **বিমান সেৱা**<br>বিমান সেৱাবোৰ দুটা খণ্ডৰ অধীনত আহে – পৰিবহন আৰু আতিথ্য। বিমান সেৱাবোৰে মসৃণ আৰু অসুবিধা মুক্ত ভ্ৰমণ নিশ্চিত কৰাৰ বাবে গ্ৰাহকসকলক সৰ্বশ্ৰেষ্ঠ সেৱা প্ৰদান কৰে। |

| আতিথ্য উদ্যোগৰ বাণিজ্যবোৰ | |
|---|---|
|  | **ক্ৰুইজ জাহাজ**<br>জাহাজবোৰে যাত্ৰীসকলক দূৰণিৰ স্থানলৈ লৈ যোৱা সময়ত তেওঁলোকক বিলাসী সেৱা প্ৰদান কৰা হয়। |
|  | **ৰিজৰ্ট**<br>ৰিজৰ্ট আৰু হোটেলৰ মাজত সামান্য পাৰ্থক্য আছে। হোটেলে ইয়াৰ অতিথিসকলক থকা স্থান প্ৰদান কৰে, ৰিজৰ্ট এখনে আৰামদায়ক থকাৰ সুবিধাৰ উপৰিও বিশ্ৰাম আৰু মনোৰঞ্জনৰ স্থান প্ৰদান কৰে। |
|  | **বিলাসী ৰেল**<br>বিমান সেৱাৰ দৰে, বিলাসী ৰেলে আৰামদায়ক যাত্ৰা সহ বিভিন্ন ধৰণৰ অন্যান্য সেৱা প্ৰদান কৰে। |
|  | **স্পা**<br>স্পাবোৰত তেওঁলোকৰ গ্ৰাহকসকলক সন্তুষ্ট কৰাৰ উদ্দেশ্যে বিভিন্ন প্ৰকাৰৰ সেৱা প্ৰদান কৰা হয়।<br><br>সেইবোৰৰ ভিতৰত আছে ছালৰ যত্ন, শৰীৰৰ যত্ন, চুলিৰ যত্ন, মালিচ আদি। |

| আতিথ্য উদ্যোগৰ বাণিজ্যবোৰ | |
|---|---|
|  | **পাব**<br>বাৰ, বিষ্ট্ৰো বা আফটাৰ আৱাৰচ জইন্ট বুলিও জনা যায়, পাব এখনত বাণিজ্যিক আধাৰত খাদ্য আৰু সুৰা পৰিৱেশন কৰা হয়। |
|  | **ৰেষ্টুৰেন্ট**<br>এক স্থান য'ত বিভিন্ন প্ৰকাৰৰ খাদ্য, বিশেষকৈ ফাষ্ট ফুড উপভোগ কৰিব পাৰি। |
|  | **ইভেন্ট**<br>এয়া হৈছে এক গুৰুত্বপূৰ্ণ অনুষ্ঠান য'ত বহু লোকে অংশগ্ৰহণ কৰিবলৈ আহে। এয়া এক গুৰুতৰ বা মনোৰঞ্জনমূলক অনুষ্ঠান হ'ব পাৰে। ইভেন্ট প্লেনাৰসকলে ইভেন্টটো মসৃণভাৱে চলোৱাৰ দায়িত্ব লয় আৰু অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰা অতিথীসকলৰ যত্ন লয়। |
|  | **মনোৰঞ্জন পাৰ্ক**<br>এনে উদ্যান য'ত ৰোলাৰ কোষ্টাৰ, মেৰী-গো-ৰাউণ্ড আৰু আন বহুতো আনন্দৰ কাৰ্যকলাপৰ আয়োজন কৰা হয়। মনোৰঞ্জন পাৰ্কৰ ভিতৰত দৰ্শকসকলে বজাৰ কৰা খোৱাৰ বাবে দোকান আৰু ৰেষ্টুৰেন্ট থাকে। |

## 1.2 আতিথ্য উদ্যোগৰ শাখাবোৰ

আতিথ্য উদ্যোগটো বিশাল হ'লেও ইয়াক তিনিটা বহল শাখাত বিভক্ত কৰিব পাৰি:

- Hotels or Accommodation
- Travel and Tourism
- Food and Beverage

### 1.2.1 আৱাস



আতিথ্য উদ্যোগৰ আৱাস খণ্ডটোৱে যাত্ৰী আৰু নিৰাসীসকলক ইয়াৰ উষ্ণতা আৰু আৰামৰ সৈতে ঘৰৰ পৰা আঁতৰৰ ঘৰ প্ৰদান কৰে। আতিথ্য উদ্যোগৰ আৱাস খণ্ডত আছে হোটেল, আৱাস আৰু ৰাতিপুৱাৰ আহাৰ প্ৰতিষ্ঠান, আৰু ৰিজৰ্ট। আৱাস সেৱাৰ বাবে ৰুম চাৰ্ভিছ কৰ্মচাৰী, হাউচকিপাৰ আদি বিভাগৰ বিভিন্ন পদবীত লোক নিযুক্ত কৰা হয়।

আৱাস খণ্ডত আৰাম, দক্ষতা আৰু মনোযোগী গ্ৰাহক সেৱা একত্ৰিত কৰি আধাৰ হিচাপে লৈ থকাৰ সুবিধা প্ৰদানৰ ওপৰত গুৰুত্ব দিয়া হয়। যাত্ৰীসকলে চিন্তাসুলভ প্ৰণালী আৰু সৰল সুবিধাৰ শলাগ লয়।



### 1.2.2 যাত্ৰা আৰু পৰ্যটন



কামৰ বাবে হওঁক বা মনোৰঞ্জনৰ বাবে, ওচৰৰ বা দূৰৰ স্থানলৈ যাত্ৰা কৰাটো মানৱ জীৱনৰ এক সচৰাচৰ অংশ।৬ যাত্ৰা আৰামদায়ক আৰু সুৰক্ষিত হোৱা প্ৰয়োজন।



বিলাসী ৰেল, বিমানৰ পৰা ক্ৰুইজ জাহাজলৈকে, আতিথ্য উদ্যোগৰ বিভিন্ন কৰ্মচাৰী যেনে গ্ৰাউণ্ড ষ্টাফ, কেবিন ক্ৰু, হাউচকিপাৰ, চুপাৰভাইজৰ, বাৰটেণ্ডাৰ, বেলমেন, বাফে চাৰ্ভাৰ, কেবিন ষ্টিৱাৰ্ড, পাৰ্চাৰ আদিয়ে যাত্ৰীসকলৰ খাদ্য, থকা আৰু অন্যান্য সম্পৰ্কিত প্ৰয়োজনীয়তা পূৰণ কৰে।

মনোৰঞ্জন পাৰ্ক আদি স্থানে হাজাৰ হাজাৰ লোকক আকৰ্ষিত কৰে, সেই সকলো লোকে এক স্মৰণীয় অভিজ্ঞতা উপভোগ কৰাৰ উপৰিও উৎকৃষ্ট গ্ৰাহক সেৱা প্ৰাপ্ত কৰে, এয়া যাত্ৰা আৰু পৰ্যটনৰ অধীনত আহে।

### 1.2.3 খাদ্য আৰু পানীয়



আতিথ্য উদ্যোগত, খাদ্য আৰু পানীয়ৰ এক বিশেষ স্থান আছে। এয়া হৈছে আতিথ্য উদ্যোগৰ সৰ্ববৃহৎ শাখা আৰু ইয়াত উচ্চ শ্ৰেণীৰ ৰেষ্টিৰেণ্ট, ফাষ্ট ফুড খাদ্য বিপন, কেটাৰিং প্ৰতিষ্ঠান আৰু আন বহুতো প্ৰকাত অন্তৰ্ভুক্ত থাকিব পাৰে।

খাদ্য আৰু পানীয় ব্যৱসায়টো আন ব্যৱসায়ৰ অংশ হিচাপেও চলিব পাৰে, যেনে বওলিং এলে বা চিনেমা হল।




**আপুনি জানেনে?**

অতিথীসকলক থকাৰ সুবিধা দিয়া প্ৰথমখন হোটেলৰ বিষয়ে কোনো তথ্য নাই। কিন্তু বাইবেলত "inn" শব্দটো উল্লেখ থকাটোৱে সূচায় যে হোটেলৰ ইতিহাস বহু

### খাদ্য ও পানীয় প্রদান নীচের বিষয়গুলির সঙ্গে সংশ্লিষ্ট :

- গ্ৰাহকৰ প্ৰয়োজনীয়তা আৰু বজাৰ সম্ভাৱনা
- নীতি আৰু ব্যৱসায়ৰ উদ্দেশ্য প্ৰস্তুত
- প্ৰদান কৰিবলগা খাদ্য আৰু পানীৰ পৰিসৰ আৰু প্ৰকাৰৰ ওপৰত সিদ্ধান্ত
- খাদ্য আৰু পানীয়ৰ ব্যৱস্থা কৰাৰ বাবে সংগঠন
- পৰিচালনা আৰু প্ৰৱন্ধন প্ৰয়োজনীয়তাবোৰৰ জ্ঞান
- কামবোৰৰ সৈতে সম্পৰ্কিত ব্যয় নিয়ন্ত্ৰণ
- গ্ৰাহক সন্তুষ্টি নিৰীক্ষণ

## 1.2.4 খাদ্য আৰু পানীয় উদ্যোগৰ প্ৰকাৰবোৰ:

| উদ্যোগৰ প্ৰকাৰ | বিৱৰণ |
|---|---|
|  | **বিষ্ট্ৰো:**<br>• এক সৰু প্ৰতিষ্ঠান, য'ত থাকে চেক শৈলীৰ টেবলক্লথ, ভাজ কৰা কাঠৰ চকী, বিশৃংখল ভিতৰভাগ আৰু বন্ধুত্বপূৰ্ণ অনানুষ্ঠানিক কৰ্মচাৰী।<br>• ই মৌলিক আৰু উৎকৃষ্ট ৰন্ধন প্ৰদান কৰে। |
|  | **ব্ৰেছিয়াৰ:**<br>• দীঘল বাৰ এখনৰ সৈতে এটা ডাঙৰ, সজোৱা কোঠা।<br>• সাধাৰণতে ফৰ্মেলৰ সলনি এক-প্লেটৰ সামগ্ৰী প্ৰদান কৰে।<br>• ৱেইটাৰসকলে প্ৰায়ে দীঘল এপ্ৰন আৰু ক'লা ৱেইষ্টকোট সহ পৰম্পৰাগত ইউনিফৰ্ম পৰিধান কৰে। |
|  | **গেষ্ট্ৰো ডোম:**<br>• ইয়াক নতুন ৰূপৰ ব্ৰেছিয়াৰ বুলিও কোৱা হয়।<br>• বিশাল আৰু বহুমহলীয়া।<br>• ভিতৰত সুন্দৰ অত্যাধুনিক সজ্জা।<br>• ব্যস্ত আৰু লোকে পৰিপূৰণ আৰু প্ৰায়ে ডাঙৰ আৰু বহুমহলীয়া হয়। |
|  | **কফী শ্বপ:**<br>• মূলতে বিভিন্ন প্ৰকাৰ কফী আৰু চাহৰ সৈতে কেক, ডিজাৰ্ট আৰু চেণ্ডৱিচ্ছৰ দৰে পাতল লঘু আহাৰ পৰিৱেশন কৰিছিল।<br>• কফী শ্বপৰ ভিতৰভাগ প্ৰায়ে থীমযুক্ত হয়।<br>• সমগ্ৰ দিন খোলা থাকিব পাৰে আৰু ৰাতিপুৱাৰ আহাৰৰ পৰা নিশাৰ আহাৰলৈকে সকলো প্ৰকাৰৰ আহাৰ পৰিৱেশন কৰিব পাৰে। |

| উদ্যোগৰ প্ৰকাৰ | বিৱৰণ |
|---|---|
|  | **প্ৰথম শ্ৰেণীৰ ৰেষ্টুৰেন্ট:**<br>• ফৰ্মেল উৎকৃষ্ট ডাইনিং ৰেষ্টুৰেন্ট।<br>• খাদ্যৰ ক্লাছিকেল প্ৰস্তুতি আৰু উপস্থাপন আৰু উচ্চ স্তৰৰ সেৱা প্ৰদান।<br>• প্ৰায়ে ক্লাছিক/উচ্চ শ্ৰেণীৰ খাদ্য সম্ভাৰৰ সৈতে সম্পৰ্কিত। |
|  | **ৰেষ্টুৰেন্ট:**<br>• সম্পূৰ্ণ মেজৰ সেৱাৰ পৰা সহায়ক সেৱা যেনে কাৰ্ভেৰী শৈলীৰ প্ৰণালীলৈকে বিভিন্ন পৰিসৰৰ সেৱা হয়। |
|  | **আন্তৰ্জাতিক ৰেষ্টুৰেন্ট:**<br>• আন্তৰ্জাতিক ৰেষ্টুৰেন্টে বিভিন্ন প্ৰকাৰৰ খাদ্য সম্ভাৰ যেনে ভাৰতীয়, অৰিয়েন্টেল, এছিয়ান, স্পেনিছ, গ্ৰীক, ইটালি, ক্ৰেয়ল আৰু কাজুন।<br>• ৰেষ্টুৰেন্টে নিৰ্দিষ্ট পৰম্পৰাৰ মূল প্ৰতিফলিত কৰা দেখা যায়। |
|  | **থীমযুক্ত ৰেষ্টুৰেন্ট:**<br>• থীমযুক্ত ৰেষ্টুৰেন্টে এক নিৰ্দিষ্ট থীম অনুসৰণ কৰিব পাৰে যেনে, আইচলেণ্ডিক হত ৰক য'ত মেজত খাদ্য প্ৰস্তুত কৰা আৰু ৰন্ধা হয়, 'বেনি-হানা' অৰিয়েন্টেল থীম।<br>• অৰণ্য, বৰ্ষাবন বা সঙ্গীত/অপেৰা আদি থীমো থাকে, য'য ৰেইটিং কৰ্মচাৰীয়ে পৰিৱেশনৰ লগতে প্ৰদৰ্শনো কৰে। |

| উদ্যোগৰ প্ৰকাৰ | বিৱৰণ |
|---|---|
|  | **আন্তৰ্জাতিক গন্তব্য ৰেষ্টুৰেণ্ট:**<br>• এই ৰেষ্টুৰেণ্টবোৰ সাধাৰণতে মিচেলিন ষ্টাৰ ৰেষ্টুৰেণ্ট হয়।<br>• প্ৰতিষ্ঠাটোৱে তেওঁলোকৰ ৰেষ্টুৰেণ্টৰ সজ্জাত স্থানটোৰ অতুলনীয় বিশেষত্ব ব্যৱহাৰ কৰে, যেনে সাগৰৰ পাৰৰ কাফে বা অৰণ্যত ডাইনিং। |
|  | **স্বাস্থ্য খাদ্য আৰু নিৰামিষ ৰেষ্টুৰেণ্ট:**<br>• এইবোৰৰ বিশেষত্ব হৈছে নিৰামিষ আৰু স্বাস্থ্যকৰ খাদ্য।<br>• কিছুমান জীৱনশৈলীৰ প্ৰয়োজনীয়তা আৰু আহাৰ প্ৰণালী পূৰণ কৰাৰ লক্ষ্য কৰে। |
|  | **কাফেটাৰিয়া:**<br>• ব্যঞ্জনবোৰ বিভিন্ন শৈলীৰ কাউণ্টাৰত উপলব্ধ হয়।<br>• কাফেটেৰিয়াত গ্ৰাহক সকলে স্ব-পৰিৱেশন কৰে।<br>• মূলতে ঔদ্যোগিক খাদ্য বজাৰৰ বাবে বিকশিত কৰা হৈছিল কিন্তু এতিয়া বিদ্যালয় আৰু মহাবিদ্যালয়ৰ দৰে বিভিন্ন শাখাত দেখা যায়। |
|  | **জনপ্ৰিয় কেটাৰিং আৰু ফাষ্ট ফুড বিপনি:**<br>• মূলতে মেজত পৰিৱেশন চাহৰ দোকানৰ বাবে বিকশিত কৰা হৈছিল।<br>• সমগ্ৰ দিনৰ খোৱাৰ প্ৰয়োজনীয়তা পূৰণ কৰে আৰু লগতে লগত লৈ যোৱাৰ সেৱা প্ৰদান কৰে, বিশেষকৈ মনোৰঞ্জন, ওদ্যোগিক আৰু ভ্ৰমণ বজাৰৰ বাবে। |

| উদ্যোগৰ প্ৰকাৰ | বিৱৰণ |
|---|---|
|  | **পাব্লিক হাউচ :**<br>• প্ৰতিষ্ঠানটোৱে ইয়াৰ গ্ৰাহকসকলক বাণিজ্যিকভাৱে সুৰা পৰিৱেশন কৰে।<br>• এয়া গ্ৰাহকসকলৰ বাবে থিয় হোৱা স্থানৰ সৈতে কেৱল এক পৰিৱেশন কৰা বাৰ হ'ব পাৰে বা বিভিন্ন খাদ্য পৰিৱেশন কৰা অতি ভালদৰে সুসজ্জিত হ'ব পাৰে।<br>• এনে স্থানক কেতিয়াবা গেষ্ট্ৰো পাব বুলিও কোৱা হয়। |
|  | **ৱাইন বাৰ:**<br>• প্ৰায়ে বাৰ আৰু ব্ৰেছিয়াৰৰ মিশ্ৰণ – ষ্টাইল অপাৰেচন, সাধাৰণে ৱাইন থীমৰ, বিভিন্ন খাদ্য পৰিৱেশন কৰে। |

# টোকা

## শ্ৰেণীৰ আগৰ কাৰ্যকলাপ

প্ৰশিক্ষাৰ্থী সকলে চাৰ্ট কাগজ প্ৰকল্প এটা প্ৰস্তুত কৰিব, য'ত তেওঁলোকে এতিয়ালৈকে ভ্ৰমণ কৰা খাদ্য আৰু পানীয় উল্লেখ কৰিব, সেইবোৰক শাখাত বিভক্ত কৰি।

## অধ্যায়টোৰ সাৰাংশ:

- হস্পিটালিটি (আতিথ্য) শব্দটো লেটিন শব্দ 'Hospes'-ৰ পৰা আহিছে, যাৰ মূল হৈছে 'Hestis' শব্দটো।
- আতিথ্য উদ্যোগৰ দুটা নিৰ্দিষ্ট দিশ আছে: (i) গ্ৰাহক সন্তুষ্টিৰ ওপৰত গুৰুত্ব দিয়া

  (ii) ৰাহি উপাৰ্জন আৰু মনোৰঞ্জনৰ সময়ৰ ওপৰত নিৰ্ভৰ।
- আতিথ্য উদ্যোগত বিভিন্ন প্ৰকাৰৰ বাণিজ্য আছে যেনে বিমান সেৱা, ৰিজৰ্ট, বিলাসী ৰেল আৰ্য অন্যান্য সেৱা।
- আতিথ্য উদ্যোগটোক তিনিটা বহল শাখাত বিভক্ত কৰিব পাৰি: (i) আৱাস বা হোটেল, ( ii) যাত্ৰা আৰু পৰ্যটন, (iii) খাদ্য আৰু পানীয়
- খাদ্য আৰু পানীয় হৈছে আতিথ্য উদ্যোগৰ বৃহত্তম শাখা।

## নিজকে পৰীক্ষা কৰক:

### 1. খালী ঠাই পূৰণ কৰক:

**a)** হস্পিটালিটি শব্দটো ______________ ভাষাৰ ________________ শব্দৰ পৰা আহিছে।

**b)** আতিথ্য উদ্যোগৰ বহলভাৱে তিনিটা শাখা আছে: ____________________, ____________________ আৰু________________________.

**c)** যাত্ৰীসকলে _____________ আৰু____________________-ত গুৰুত্ব দিয়ে।

**d)** ___________________ হৈছে আতিথ্য উদ্যোগৰ বৃহত্তম উপাদান।

**e)** বিষ্ট্ৰো হৈছে _______________টেবলক্লথৰ সৈতে এক _______________ প্ৰতিষ্ঠান।

### 2. সঁচা নে মিছা কওঁক:

**a)** খাদ্য আৰু পানীয় শাখাটো গ্ৰাহকৰ আৱাসৰ সৈতে সম্পৰ্কিত। [ ]

**b)** কাফেটেৰিয়াত ইয়াৰ গ্ৰাহকসকলক উচ্চ শ্ৰেণীৰ সেৱা প্ৰদান কৰা হয়। [ ]

**c)** বিমান সেৱাবোৰ আতিথ্য খণ্ডৰ অধীনত পৰে। [ ]

**d)** নতুন ৰূপৰ ৰেষ্টুৰাৰক গেষ্ট্ৰো ডোম বুলিও কোৱা হয়। [ ]

**e)** হস্পিটালিটি শব্দটো লেটিন ভাষাৰ শব্দৰ পৰা আহিছে। [ ]

### 3. নিম্নলিখিতবোৰ মিলাওঁক:

| স্তম্ভ - A | স্তম্ভ - B |
|---|---|
| **a.** বিষ্ট্ৰো | **1.** এক সৰু প্ৰতিষ্ঠান, য'ত থাকে চেক শৈলীৰ টেবলক্লথ, ভাজ কৰা কাঠৰ চকী, বিশৃংখল ভিতৰভাগ আৰু বন্ধুত্বপূৰ্ণ অনানুষ্ঠানিক কৰ্মচাৰী। |
| **b.** কাফেটাৰিয়া | **2.** খাদ্যৰ ক্লাছিকেল প্ৰস্তুতি আৰু উপস্থাপন আৰু উচ্চ স্তৰৰ সেৱা প্ৰদান। |
| **c.** প্ৰথম শ্ৰেণীৰ ৰেষ্টুৰেন্ট | **3.** প্ৰতিষ্ঠাটোৱে তেওঁলোকৰ ৰেষ্টুৰেন্টৰ সজ্জাত স্থানটোৰ অতুলনীয় বিশেষত্ব ব্যৱহাৰ কৰে, যেনে সাগৰৰ পাৰৰ কাফে বা অৰণ্যত ডাইনিং। |
| **d.** ৱাইন বাৰ | **4.** কাফেটেৰিয়াত গ্ৰাহক সকেল স্ব-পৰিৱেশন কৰে। |
| **e.** আন্তৰ্জাতিক গন্তব্য ৰেষ্টুৰেন্ট | **5.** প্ৰায়ে বাৰ আৰু ৰেষ্টুৰাৰৰ মিশ্ৰণ – ষ্টাইল অপাৰেচন, সাধাৰণে ৱাইন থীমৰ, বিভিন্ন খাদ্য পৰিৱেশন কৰে। |

# অধ্যায় 2
# খাদ্য আৰু পানীয় সেৱা

**শিক্ষণ ফলাফলবোৰ:**

- মেনু বুজা: ইয়াৰ উদ্দেশ্য আৰু প্ৰকাৰবোৰ
- কণ্ডিমেণ্ট আৰু আনুষঙ্গিক বোৰ জনা: প্ৰকাৰ আৰু উদ্দেশ্য
- আৱৰ্জনা নিষ্কাশনৰ বিষয়ে জনা
- মেজৰ সজ্জা ডিজাইন কৰা: প্ৰকাৰ আৰু ইয়াৰ ব্যৱহাৰবোৰ
- পানীয়বোৰ চিনাক্ত কৰা: প্ৰকাৰ আৰু সেইবোৰৰ বিশেষত্ব

## শ্ৰেণীৰ আগৰ অনুশীলনী:

- প্ৰশিক্ষকে প্ৰশিক্ষাৰ্থীসকলক খাদ্য আৰু পানীয় প্ৰতিষ্ঠান এটাত কেনেদৰে ফৰ্মেল ডাইনিং সেৱা প্ৰদান কৰিব লাগে সেই বিষয়ে ভিডিঅ'এটা প্ৰদৰ্শন কৰিব।

### 2.1 মেনু

- মেনু এখনে ৰেষ্টুৰেণ্ট এখনে ইয়াৰ গ্ৰাহকসকলক আগবঢ়োৱা খাদ্য আৰু পানীয়বোৰ প্ৰতিনিধিত্ব কৰে।
- মেনু এ লা কাৰ্টে, বাফে, বা টেবল ডিওট হ'ব পাৰে।




### 2.2 মেনু এখনৰ উদ্দেশ্য

#### 2.2.1 মেনু এখন ডিজাইন কৰা

মেনু এখন অতি সযতনে প্ৰস্তুত কৰিব লাগে কিয়নো ই গ্ৰাহকৰ মনোযোগ আকৰ্ষিত কৰাত এক অপৰিহাৰ্য ভূমিকা পালন কৰে। মেনু এখন ডিজাইন কৰোঁতে নিম্নলিখিত কথাবোৰ মনত ৰাখিব:

- মেনুখন গ্ৰাহকসকলৰ বাবে আকৰ্ষণীয় আৰু মনোযোগ আকৰ্ষক হ'ব লাগে।
- আহাৰৰ বিৱৰণ স্পষ্ট আৰু সহজে বুজি পোৱা হ'ব লাগে।
- মেনু এখনে ব্যঞ্জন এখন আৰু ইয়াৰ আনুষঙ্গিকবোৰৰ এক স্পষ্ট আৰু শুদ্ধ বিৱৰণ দিব লাগে।
- মেনুত মূল্য উল্লেখ কৰাটো বাধ্যতামূলক।
- মেনুত ডায়েটেৰী তথ্যও উল্লেখ থাকিব লাগে গ্ৰাহকে কি খাব সেই বিষয়ে অৱগত সিদ্ধান্ত এটা ল'ব পাৰে।

### 2.2.1 এথন তালিকা সাজি উলিওৱা

একন তালিকা সাৱধানেৰে বিবেচনা কৰি সাজি উলিওৱা উচিত যাতে ই গ্ৰাহকৰ মনোযোগ আকৰ্ষণৰ অপৰিহাৰ্য অংশ হিচাপে ভূমিকা গ্ৰহণ কৰে। এথন তালিকা তলৰ সিদ্ধান্ত সমূহ মনত ৰাখি সাজি উলিওৱা উচিতঃ

| | |
|---|---|
| আকাৰ আৰু আকৃতি | •এটা মেনু হ'ব পাৰে আয়তাকাৰ, বৰ্গাকৃতি অথবা যি কোনো আকাৰৰ<br>•প্ৰিন্ট দিব পাৰি A3, A4 অথবা A5 আকাৰৰ পেপাৰত |
| আৰ্টৱৰ্ক/ৰং | •মেনু ৰং মিশ্ৰণ<br>•আৰ্টৱৰ্কৰ যি চিত্ৰ এইটো ডিচপ্লে কৰিব |
| পৰিচালনাসহজ | •মেনুটো হ'ব পাৰে দুটি ভাঁজ, এটা শিট অথবা ডিজিটাল |
| তথ্যৰ প্ৰবাহ | •মেনু অথবা গাঁথনীৰ প্ৰবাহ হোৱা উচিত যৌক্তিক এবং গ্ৰাহকক অৰ্ডাৰ দিয়াত সুবিধা দিব<br>•ডেজাৰ্ট প্ৰথমত আৰু ষ্টাৰ্টাৰ শেষত দিয়া উচিত নহয় |

### 2.3 মেনু: উপস্থাপন প্ৰকাৰ

মেনু বিভিন্ন সজ্জাত উপস্থাপন কৰিব পাৰি যেনে:

| মেনুৰ সজ্জাবোৰ | |
|---|---|
|  | একক লেমিনেটেড মেনু কাৰ্ড |

| মেনুৰ সজ্জাবোৰ | |
|---|---|
|  | A5 আৰু অধিক আকাৰৰ ইনচাৰ্ট সহ ফ'ল্ড আউট কাৰ্ড |
|  | আই পেড মেনু |